# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date : 27**-12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

১। প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ শেষকৃত্য কাইলৈ সম্পন্ন কৰা হ'ব।

২। কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ বিয়োগত শোক প্ৰকাশ কৰি এটা প্ৰস্তাৱ গ্ৰহণ কৰিছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কালি ৱাছিংটন ডি চিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৈদিশিক সচিব এণ্টনী ব্লিনকেনৰ সৈতে বৈঠকত মিলিত হয়।

৪। বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালক প্ৰধান টেড্ৰোছ অধোনম ঘেব্ৰেয়ছছে য়েমেনত হুটি বিদ্ৰোহীয়ে আটক কৰা ৰাষ্ট্ৰসংঘৰ ১৩ গৰাকী কৰ্মচাৰীৰ মুক্তি সন্দৰ্ভত আলোচনা সম্পূৰ্ণ হোৱা বুলি প্ৰকাশ কৰিছে। ***আৰু***

৫। ভাৰতীয় মহিলা ক্ৰিকেট দলে আজি আই চি চি চেম্পিয়নশ্বিপ এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ৱেষ্ট ইণ্ডিজক ৫ উইকেটত পৰাস্ত কৰি ৩-০ ফলাফলেৰে শৃংখলা হস্তগত কৰে।

ooooo

যোৱা নিশা দেহাৱসান ঘটা প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ নশ্বৰদেহ বৰ্তমান নতুন দিল্লীৰ মতিলাল নেহৰু মাৰ্গত থকা তেওঁৰ বাসগৃহত ৰখা হৈছে আৰু সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে নেতাগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা তৰ্পণ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীৰ নশ্বৰ দেহত পুষ্পাৰ্ঘ্য নিবেদন কৰি তেওঁৰ প্ৰতি সন্মান জনায়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং, জ্যোতিৰাদিত্য সিন্ধিয়া, প্ৰাক্তন কংগ্ৰেছ সভানেত্ৰী ছোনীয়া গান্ধী, লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী, কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, আম আদমী পাৰ্টীৰ আহ্বায়ক অৰবিন্দ কেজৰিৱাল, দিল্লীৰ মুখ্যমন্ত্ৰী আতিশী, অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডু, তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনকে ধৰি ভালেসংখ্যক নেতাইও আজি প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ বাসগৃহলৈ গৈ নেতাগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ, প্ৰাক্তন উপৰাষ্ট্ৰপতি হামিদ আনচাৰী, সমাজবাদী পাৰ্টীৰ সভাপতি অখিলেশ যাদৱ আৰু জম্মু কাশ্মীৰৰ মুখ্যমন্ত্ৰী তথা নেচনেল কনফাৰেন্সৰ সভাপতি ফাৰুক আব্দুলাইও নেতাগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিছে।

যোৱা নিশা ৯ বাজি ৫১ মিনিটত নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত ৯২ বছৰ বয়সত বৰ্ষীয়ান নেতাগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। বিশ্বৰ প্ৰসিদ্ধ অৰ্থনীতিবিদসকলৰ অন্যতম ড০ মনমোহন সিঙে ১৯৮২ চনত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গবৰ্ণৰ হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ পাছত ১৯৮৫ৰ পৰা ১৯৮৭ চনলৈ পৰিকল্পনা আয়োগৰ উপাধ্যক্ষ হিচাপে দায়িত্ব পালন কৰিছিল। পি ভি নৰসিংহ ৰাও চৰকাৰৰ দিনত বিত্তমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা ড০ সিঙে ১৯৯১ চনৰ অৰ্থনৈতিক উদাৰীকৰণৰ ৰূপকাৰ হিচাপে ভাৰতীয় অৰ্থনীতিত সৰ্বকালৰ সৰ্ববৃহৎ

সংস্কাৰ সাধন কৰে। ২০০৪ৰ পৰা ২০১৪ চনলৈ কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এ চৰকাৰৰ সময়ত দুটা কাৰ্যকালৰ বাবে দেশৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ড০ মনমোহন সিং ১৯৯১ চনত প্ৰথমবাৰৰ বাবে অসমৰ পৰা ৰাজ্যসভালৈ নিৰ্বাচিত হৈছিল আৰু ধাৰাবাহিকভাৱে ২৮ বছৰ ধৰি অসমক প্ৰতিনিধিত্ব কৰিছিল।

প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ সিঙৰ বিয়োগত সাতদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সকলো চৰকাৰী কাৰ্যালয়, গুৰুত্বপূৰ্ণ অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ লগতে বিদেশত থকা ভাৰতীয় দূতাবাসসমূহতো ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখা হ'ব। ইয়াৰ লগতে আমোদ-প্ৰমোদমূলক সকলো চৰকাৰী কাৰ্যসূচীও বন্ধ থাকিব। প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হ'ব বুলি কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ঘোষণা কৰিছে।

০০০০০

নতুন দিল্লীস্থিত কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ৰ পৰা কাইলৈ পুৱা চাৰে ন বজাত প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ অন্তিম যাত্ৰা আৰম্ভ হ'ব। কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালে আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ নশ্বৰ দেহ আজি তেওঁৰ দিল্লীৰ বাসগৃহত জনসাধাৰণৰ অন্তিম দৰ্শনৰ বাবে ৰখা হব। তেওঁ লগতে কয়, যে কাইলৈ পুৱা প্ৰয়াত মনমোহন সিঙৰ পাৰ্থিৱ দেহ কংগ্ৰেছ কাৰ্যালয়ৰ পৰা লৈ যোৱা হব আৰু তাত জনসাধাৰণ তথা দলীয় কৰ্মীসকলে নেতাগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰিব। পাছত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ বিয়োগত শোক প্ৰকাশ কৰি এটা প্ৰস্তাৱ গ্ৰহণ কৰে। প্ৰস্তাৱত মনমোহন সিঙৰ বিয়োগত ৰাষ্ট্ৰই এগৰাকী বিচক্ষণ ৰাজনীতিবিদ, বিশিষ্ট অৰ্থনীতিবিদ আৰু প্ৰসিদ্ধ নেতা হেৰুৱালে বুলি উল্লেখ কৰা হৈছে। ড০ মনমোহন সিঙে জাতীয় জীৱনত গভীৰ ছাপ এৰি থৈ যোৱা বুলিও প্ৰস্তাৱত কোৱা হৈছে। মন্ত্ৰীসভাৰ বৈঠকত এইবুলি কোৱা হয় যে, তেওঁ ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ ভাৰতত বিত্ত মন্ত্ৰীৰ দায়িত্বত আছিল আৰু সকলোৱে তেওঁৰ অৰ্থনৈতিক সংস্কাৰৰ সৰ্বাত্মক নীতিৰ ভূয়সী প্ৰশংসা কৰিছে। মন্ত্ৰীসভাৰ সদস্যসকলে লগতে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ সন্মানাৰ্থে ২ মিনিট মৌনতা অৱলম্বন কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কালি ৱাছিংটন ডি চিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৈদিশিক সচিব এণ্টনী ব্লিনকেনৰ সৈতে বৈঠকত মিলিত হয়। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে কৈছে যে, বৈঠকত বিগত ৪ বছৰত দুয়ো দেশৰ মাজৰ সহযোগিতাৰ প্ৰগতিৰ পৰ্যালোচনা কৰা হয়। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ সম্পৰ্কৰ দেশ দুখনৰ পাৰস্পৰিক স্বাৰ্থৰ লগতে বিশ্বৰ হিত সাধন কৰিব বুলি বিদেশ মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০

বিশ্ব স্বাস্থ্য সংস্থা WHO ৰ সঞ্চালক প্ৰধান টেড্ৰোছ অধোনম ঘেব্ৰেয়ছছে য়েমেনৰ ৰাজধানী ছনাত হুটি বিদ্ৰোহীয়ে আটক কৰা ৰাষ্ট্ৰসংঘৰ ১৩ গৰাকী কৰ্মচাৰীৰ মুক্তি সন্দৰ্ভত আলোচনা সম্পূৰ্ণ হোৱা বুলি প্ৰকাশ কৰিছে। শ্ৰীঘেব্ৰেয়ছছে সামাজিক মাধ্যমযোগে কৈছে, যে বিশ্ব স্বাস্থ্য সংস্থাই আটক কৰা লোককেইজনক শীঘ্ৰে মুকলি

কৰিবলৈ আহ্বান জনাইছে। ৰাষ্ট্ৰসংঘই যোৱা জুনত ইয়াৰ ১৩ জন কৰ্মচাৰীক হুটি বিদ্ৰোহীয়ে আটক কৰাৰ কথা নিশ্চিত কৰিছে।

ooooo

অৰুণাচল প্ৰদেশস্থিত ইন্দিজেনাচ ফেইথ এণ্ড কালচাৰেল চোছাইটি চমুকৈ আই এফ চি এছ এ পিয়ে এইবছৰ ৰূপালী জয়ন্তী বৰ্ষৰ সৈতে সংগতি ৰাখি এমহীয়াকৈ এই জয়ন্তী পালনৰ দিহা কৰিছে। জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৰেল ওৰাম, ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খান্দু আৰু গৃহ মন্ত্ৰী মামা নেটুঙে এই অনুষ্ঠানৰ আজি শুভাৰম্ভ কৰে। **আমাৰ পূৰ্বপুৰুষৰসকলৰ সন্মান, আমাৰ বিশ্বাসৰ উদযাপন আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে প্ৰেৰণা** বিষয়েৰে আয়োজিত এই অনুষ্ঠানৰ উদ্দেশ্য হৈছে ৰাজ্যৰ পৰিচয় বহন কৰা পৰম্পৰা আৰু মূল্যবোধক সন্মান প্ৰদৰ্শন কৰি এখন মঞ্চ প্ৰদান কৰা। মন্ত্ৰী জুৰেল ওৰামে খিলঞ্জীয়া পৰম্পৰা আৰু সংস্কৃতিৰ প্ৰচাৰৰ ক্ষেত্ৰত আই এফ চি এছ এ পিয়ে লোৱা এই উদ্যোগৰ প্ৰশংসা কৰে। তেওঁ কয়, যে খিলঞ্জীয়া পৰিচয় বহন কৰাৰ ক্ষেত্ৰত প্ৰতিষ্ঠানটোৱে গ্ৰহণ কৰা এই পদক্ষেপ আন ৰাজ্যসমূহৰ বাবে আদৰ্শ হিচাপে চিহ্নিত হৈছে। তেওঁ লগতে কয়, যে অৰুণাচল প্ৰদেশৰ চহকী ঐতিহ্য ৰক্ষা কৰাৰ ক্ষেত্ৰত চৰকাৰ বদ্ধপৰিকৰ। মুখ্যমন্ত্ৰী পেমা খান্দুৱে কয়, যে বিগত ২৫ বছৰত খিলঞ্জীয়া বিশ্বাস আৰু সংস্কৃতিৰ প্ৰচাৰ আৰু সংৰক্ষণ কৰাৰ ক্ষেত্ৰত এই প্ৰতিষ্ঠানে যি পদক্ষেপ গ্ৰহণ কৰি আহিছে সেইয়া প্ৰশংসাৰ যোগ্য। তেওঁ কয়, যে মাইলৰ খুটি হিচাপে বিবেচিত হোৱা এই অনুষ্ঠানে ৰাজ্যখনৰ পৰম্পৰাসমূহৰ সহনশীলতা ৰক্ষা কৰিছে আৰু লগতে বিভিন্ন সম্প্ৰদায়ৰ মাজৰ একতাৰ বান্ধোন কটকটীয়া কৰিছে। বিচিত্ৰতাৰে ভৰা ৰাজ্যখনৰ সংস্কৃতিৰ ধবজা বহন কৰা পৰম্পৰাগত নৃত্য আৰু সংগীতেৰে এই অনুষ্ঠান মুখৰিত হৈ পৰিছে।

ooooo

ৰাজস্থানৰ আজমেৰত চুফী সন্ত হজৰত খ'ৱাজা মইনুদ্দিন চিষ্টিৰ ৮১৩ সংখ্যক উৰুছৰ প্ৰস্তুতি আৰম্ভ হৈছে। সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰিছে। মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে, শনিবাৰে আজমেৰৰ দৰগাহত চাদৰ আগবঢ়োৱা পৰম্পৰা সম্পন্ন হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে দিনৰ এঘাৰ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৭ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৰছাইট আৰু newsonair মোবাইল এপত শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠানৰ লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ইংৰাজী ২০২৪ বৰ্ষৰ সমাপ্তি উপলক্ষে কেইটামান বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। সেই অনুসৰি অহা ২৮ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সমাজৰ নিঃস্ব, আৰ্তজন আৰু অমাতৰ হৈ নীৰৱে কাম কৰি যোৱা তিনিগৰাকী ব্যক্তিৰ বছৰটোৰ সামৰণিৰ উপলব্ধি প্ৰচাৰ কৰা হ'ব। ৩১ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দেশ-বিদেশৰ ৰাজনীতি-সমাজনীতি, ক্ৰীড়া, সংস্কৃতি, সাহিত্য জগতৰ উল্লেখযোগ্য ঘটনাৱলীৰ বছৰজোৱা আলোকপাতৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত আকাশবাণী

গুৱাহাটীৰ ষ্টুডিঅ'ত সাংবাদিক, চলচ্চিত্ৰ সমালোচক আৰু ৰাজনৈতিক পৰ্যবেক্ষক উপস্থিত থাকি বছৰটোৰ উল্লেখযোগ্য ঘটনাৱলীৰ পৰ্যালোচনা আগবঢ়াব।

ooooo

ভাৰতীয় মহিলা ক্ৰিকেট দলে আজি বদোদৰাত অনুষ্ঠিত আই চি চি চেম্পিয়নশ্বিপ এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ৱেষ্ট ইণ্ডিজক ৫ উইকেটত পৰাস্ত কৰে। খেলখনত দিপ্তী শৰ্মাই বেটে বলে উজ্জীৱিত প্ৰদৰ্শনেৰে ৩-০ ফলাফলত শৃংখলা জয়ত বৰঙণি আগবঢ়ায়। খেলুৱৈগৰাকীয়ে ৬ টা উইকেট দখল কৰে আৰু ৩৯ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। ভাৰতে ১৬৩ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ২৮ অভাৰ ২ টা বলত ৫ টা উইকেট হেৰুৱাই ১৬৭ ৰাণ কৰে। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰি ৩৮ অভাৰ আৰু ৫ টা বলত আটাইকেইটা হেৰুৱাই ১৬২ ৰাণ সংগ্ৰহ কৰে।

ooooo

ভাৰতে মেলবৰ্নত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ চতুৰ্থ টেষ্টৰ আজি দ্বিতীয় দিনৰ খেলৰ সামৰণিত অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছৰ ৪৭৪ ৰানৰ প্ৰত্যুত্তৰত ৫ উইকেটৰ বিনিময়ত ১৬৪ ৰান সংগ্ৰহ কৰে।

ভাৰতৰ হৈ অপেনাৰ যশস্বী জয়ছোৱালে ৮২ ৰান সংগ্ৰহ কৰে। দিনান্তত ভাৰতৰ ঋষভ পণ্টে ৬ আৰু ৰবীন্দ্ৰ জাদেজাই ৪ ৰান কৰি খেলি আছিল। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই কালি ৬ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৩১১ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰে আৰু ষ্টিভেন স্মিথৰ ১৪০ ৰানৰ সহায়ত দলটোৱে মুঠ ৪৭৪ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ৪টা আৰু ৰবীন্দ্ৰ জাদেজাই ৩টা উইকেট দখল কৰে। আজি ভাৰতীয় দলৰ খেলুৱৈসকলে প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ মৃত্যুত শ্ৰদ্ধা জনাই ক'লা বেজ পৰিধান কৰি খেলপথাৰত নামে।

ooooo

সমাপ্ত